# খোতবা জুমা

**ছৈয়দেনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ২১ মে তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবী আৰু ইছলামৰ ২য় খলিফা হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ পৱিত্ৰ আৰু প্ৰশংসনীয় গুণাৱলীৰ চমু বৰ্ণনা**

**নিপীড়িত পেলেষ্টাইন সকলৰ বাবে দোৱা কৰিব যাতে আল্লাহ তা'লা সিহঁতৰ ওপৰত দয়া কৰে আৰু পেলেষ্টাইনে যেন প্ৰকৃত স্বাধীনতা লাভ কৰে। আল্লাহ তা'লা তেওঁলোকক এনেকুৱা এজন নেতা প্ৰদান কৰক যিজন অতি প্ৰজ্ঞাবান হয় আৰু দক্ষ,বলীয়ানও হয়,যিজনে নিজৰ কথাবিলাক ক'ব পাৰে আৰু নিজৰ অধিকাৰ আদায় কৰি ল'ব পাৰে।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আগৰে পৰাই হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰা হৈ আছে,আজিও তেখেত (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰা হ'ব। হজৰত উমৰ (ৰাঃ)য়ে বদৰৰ যুদ্ধৰ পৰা লৈ সকলো যুদ্ধ আৰু কেইবাটাও সামৰিক বাহিনীৰ সৈতে যোগদান কৰিছিল। বদৰৰ যুদ্ধ ময়দানত হজৰত উমৰ (ৰাঃ),হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)আৰু হজৰত আবু বক্কৰ (ৰাঃ)য়ে এজনৰ পিছত এজনকৈ এটা উটত আৰোহণ কৰি যুদ্ধ চলাইছিল। বদৰৰ যুদ্ধৰ সময়তেই ৰছুলুল্লাহ (ছাঃ)য়ে কুৰাইছ সকলৰ বনিজ দলক বাধা প্ৰদানৰ বাবে ওলাই পৰে, তেতিয়া বাটতে খবৰ পাইছিল যে কুৰাইছ সকলৰ এটা শক্তিশালী আৰু বেগী দলে (সৈন্যদলে) এই বনিজ দলটোক ৰক্ষা কৰিবলৈ আহি আছে। তেতিয়া আঁ-হজৰত (ছাঃ)য়ে চাহাবা ইকৰাম সকলক এই সম্পৰ্কে খবৰ দিয়ে আৰু তেখেত সকলৰ পৰা পৰামৰ্শ বিচাৰে। চাহাবা সকলৰ এটা দলে সেই সৈন্যদলৰ বিৰুদ্ধে সৈন্য এৰি দিবলৈ আৰু বনিজ দলৰ সৈতে মুখামুখী হোৱাৰ পক্ষে মত প্ৰদান কৰিছিল। এনে পৰামৰ্শ শুনি হুজুৰ (ছাঃ)ৰ মুখমণ্ডলৰ অৱয়ৱ উজ্জ্বলি উঠিছিল এনেতে হজৰত আবু বক্কৰ (ৰাঃ),হজৰত উমৰ (ৰাঃ)আৰু হজৰত মিকছাদ (ৰাঃ)য়ে হৃদয় শিহৰণীয় ভাষণেৰে সকলোকে উদ্বুদ্ধ কৰে আৰু যিকোনো উপায়েৰে আঁ-হজৰত (ছাঃ)ক লগ দিয়াৰ বিশ্বাস প্ৰদান কৰে।

হজৰত উমৰ (ৰাঃ)ৰ জীয়ৰি হজৰত হাফচা (ৰাঃ)ৰ গিৰিয়েক বদৰৰ যুদ্ধত যোগদান কৰিছিল কিন্তু বদৰৰ যুদ্ধৰ পিছত বেমাৰত পৰি মৃত্যু বৰণ কৰিছিল। সেই সময়ত হজৰত হাফচা (ৰাঃ)ৰ বয়স ২০ বছৰতকৈ বেছি হৈছিল। সেয়ে হজৰত উমৰ (ৰাঃ)য়ে হজৰত উচমান (ৰাঃ) আৰু আকৌ হজৰত আবু বক্কৰ (ৰাঃ)ক হজৰত

হাফচা (ৰাঃ)ক বিয়া কৰোৱাবলৈ কথা পাতিছিল। যেতিয়া এওঁলোক দুয়োজনৰ ফালৰ পৰা এই বিষয়ে নীৰৱতা আৰু স্বীকৃত সুচক উত্তৰ পোৱা নাছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে মনত বৰ বেজাৰ পাইছিল। তেখেত (ৰাঃ)য়ে গৈ আঁ-হজৰত (ছাঃ)ৰ ওচৰত উপস্থিত হৈছিল তেতিয়া আঁ-হজৰত (ছাঃ)য়ে কৈছিল যে হে উমৰ চিন্তা নকৰিবা খোদা তা'লাই ইচ্ছা কৰিলে হাফচা (ৰাঃ)য়ে উচমান আৰু আবু বক্কৰ (ৰাঃ)তকৈ উত্তম স্বামী লাভ কৰিব আৰু উচমান (ৰাঃ)য়ে হাফচা (ৰাঃ)তকৈ উত্তম পত্নী পাব। যেতিয়া আঁ-হজৰত (ছাঃ)য়ে নিজে হাফচা (ৰাঃ)ক বিয়া কৰোৱাৰ প্ৰস্তাৱ আগবঢ়াইছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে অতি আনন্দেৰে সেই প্ৰস্তাৱত সন্মত হৈছিল আৰু শ্বাবান মাহ চন ৩ হিজৰীত হজৰত হাফচা (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ৰ লগত বিবাহ পাশত আবদ্ধ হৈ নবী (ছাঃ)ৰ ঘৰত প্ৰৱেশ কৰে।

উহুদৰ যুদ্ধত যেতিয়া কুৰাইছ সকলে চাৰিও ফালৰ পৰা মুছলমান সকলৰ ওপৰত তুমুল আক্ৰমণ কৰে আৰু মুছলমান সকলৰ সেনা নায়ক হজৰত মুচাআব বিন উমিৰ (ৰাঃ) শ্বহীদ হৈ যায় তেতিয়া আঁ-হজৰত (ছাঃ)ৰ লগত হজৰত মুচাআব (ৰাঃ)ৰ চেহেৰা অৱয়বৰ মিল থকা কাৰণে কাফিৰ সকলে ভুৱা প্ৰচাৰ কৰি চিঞৰ-বাখৰ কৰা আৰম্ভ কৰিছিল যে তেওঁলোকে আঁ-হজৰত (ছাঃ)ক শ্বহীদ কৰি পেলাইছে। এই খবৰ মুছলমান সকলে শুনাৰ লগে লগে তেওঁলোকৰ হৃদয় বিদীৰ্ণ হৈ যায় আৰু তেওঁলোকৰ ঐক্য বল বিনষ্ট হৈ পৰে। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে সেই সময়ত মুছলমান সকলে তিনিটা গ্ৰুপত বিভক্ত হৈ আছিল। এটা দলে আঁ-হজৰত (ছাঃ)ৰ মৃত্যুৰ খবৰ শুনি যুদ্ধ ক্ষেত্ৰৰ পৰা পলাই গৈছিল কিন্তু এওঁলোকৰ সংখ্যা আটাইতকৈ কম আছিল। দ্বিতীয় গ্ৰুপটোৱে এই মৃত্যুৰ খবৰ শুনি নিৰাশ হৈ বহি পৰিছিল আৰু যুদ্ধ কৰাটো নিৰৰ্থক বুলি ভাবিছিল। তৃতীয় গ্ৰুপত আছিল সেই সকল লোক যিসকলে প্ৰাণটাকি যুঁজ দি গৈছিল। এয়া মুছলমানসকলৰ বাবে এটা কঠিন সমস্যা আৰু পৰীক্ষাৰ সময় আছিল। ইফালে হজৰত উমৰ (ৰাঃ)য়েও উদাসীন হৈ পৰা লোক সকলৰ লগত নিৰাশ হৈ বহি পৰিছিল। যেতিয়া এওঁলোকে লাহে লাহে খবৰৰ উৱাদিহ পাইছিল যে আঁ-হজৰত (ছাঃ)শ্বহীদ হোৱা নাই তেতিয়া এওঁলোকে তয়াময়া ৰণ দি আহি আহি আঁ-হজৰত (ছাঃ)ৰ চাৰিওফালে জমা হৈ গৈছিল। এনেদৰে যেতিয়া আঁ-হজৰত (ছাঃ)য়ে নিজৰ অলপ সংখ্যক চাহাবাক লগত লৈ আহি পাহাৰৰ ঘাটি এখনত উপস্থিত হৈছিল তেতিয়া কাফিৰ সকলৰ এটা দলে সেই ঘাটিৰ ওপৰত আক্ৰমণ চলায়। হুজুৰ (ছাঃ)য়ে তেতিয়া দোৱা কৰিছিল যে হে আল্লাহ ! এই কাফিৰ সকলে যেন আমাৰ ওচৰলৈ ঢুকি নাপায়। সেই মুহূৰ্তেতে হজৰত উমৰ (ৰাঃ)য়ে কেইজনমান মুহাজেৰিণক লগত লৈ সেই মুশৰিক (পৌত্তলিক) সকলৰ মোকাবিলা কৰি সিহঁতক মাৰি-মাৰি খেদি পঠিয়াইছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে লিখিছে যে আবু চুফিয়ান নিজৰ কিছুমান লগৰীয়াক লৈ সেই গিৰিপথৰ ফালে আগবাঢ়ি আহে য'ত মুছলমান সকলে গোট খাইছিল আৰু চিঞৰি সুধিছিল হে মুছলমান সকল ! তোমালোকৰ মাজত মহম্মদ (ছাঃ)আছেনে ? আঁ-হজৰত (ছাঃ)য়ে সকলো মুছলমানক নিৰ্দেশ দিছিল যে এতিয়া কোনোবাই যেন সিহঁতৰ প্ৰশ্নৰ উত্তৰ নিদিয়ে। ইয়াৰ পিছত আবু ছুফিয়ানে হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)ক সুধিছিল কিন্তু এওঁলোকেও আঁ-হজৰত (ছাঃ)ৰ নিৰ্দেশ অনুযায়ী কোনো উত্তৰ দিয়া নাছিল। যাৰ ফলত আবু ছুফিয়ানে উচ্চস্বৰে গৰ্বৰে সৈতে চিঞৰি কৈছিল যে এওঁলোক সকলোৱে মৰি গৈছে কাৰণ যদি জীয়াই থাকিলহেঁতেন তেন্তে উত্তৰ দিলেহেঁতেন।

এনেধৰণৰ তাচ্ছিলৰ কথা শুনি হজৰত উমৰ (ৰাঃ)য়ে আৰু ৰব নোৱাৰি, অধৈৰ্য হৈ চিঞৰি উঠি কৈছিল এই আল্লাহৰ দুশমন ! তহঁতে মিছা কৈ আছা। আমি সকলোৱে জীৱিত আছো আৰু খোদা তা'লাই আমাৰ হাতত

তহঁতক অপমানিত কৰিব। ইয়াৰ পিছত যেতিয়া আবু ছুফিয়ানে উলুল হুবুল অৰ্থাৎ হে হুবুল ! তোমাৰ মৰ্যাদা উন্নীত হওঁক বুলি উচ্চস্বৰে ধ্বনি দিছিল; তেতিয়া আঁ-হজৰত (ছাঃ)যিজনে নিজৰ নামত মনে মনে আছিল আৰু মুছলমান সকলক মনে মনে থকাৰ আদেশ দিছিল; খোদা তা'লাৰ লগত তুলনা কৰি ভুতৰ নাম শুনাৰ লগে লগে অধৈৰ্য হৈ পৰিছিল আৰু কৈছিল যে তোমালোকে এতিয়া কিয় উত্তৰ দিয়া নাই ? কোৱা **আল্লাহ আলা ওৱা আজল,** অৰ্থাৎ শ্ৰেষ্ঠত্ব আৰু বুজুৰ্গী একমাত্ৰ আল্লাহ তা'লাৰেই হয়। এয়া শুনি আবু ছুফিয়ানে কৈছিল লানাল উজ্জা ওৱা লা উজ্জা লাকুম অৰ্থাৎ আমাৰ লগত উজ্জা আছে,তোমালোকৰ লগত উজ্জা (দেৱতা) নাই। তেতিয়া আঁ-হজৰত (ছাঃ)য়ে চাহাবা সকলক নিৰ্দেশ দিছিল যে তোমালোকে কোৱা আল্লাহ মাওলানা ওৱা লা মাওলা লাকুম উজ্জানো কি হয় আমাৰ; আল্লাহ আমাৰ সহায় কৰোঁতা হয় আৰু তোমালোকৰ কোনো সহায় কৰোঁতা নাই।

যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে উহুদৰ যুদ্ধৰ পিছত মদিনালৈ ওভতি আহিছিল তেতিয়া মুনাফিক আৰু ইহুদী সকলে আনন্দ উৎসৱ পাতিছিল যে মহম্মদ (ছাঃ)য়ে এতিয়া ৰজা হ'ব আৰু আজিলৈকে কোনো নবীয়েই ইমান ক্ষতি বহন কৰা নাই; যিমান তেখেত (ছাঃ)য়ে কৰিছে। হজৰত উমৰ (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ পৰা সেই সকল মুনাফিকক হত্যা কৰাৰ অনুমতি বিচাৰে কিন্তু আঁ-হজৰত (ছাঃ)য়ে কৈছিল যে মোক কলিমা পাঠ কৰোঁতা সকলক হত্যা কৰিবলৈ মানা কৰা হৈছে।

হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনা ধাৰাবাহিক ভাৱে ভৱিষ্যতলৈ চলি থাকিব বুলি কোৱাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে পেলেষ্টাইনৰ জন সাধাৰণৰ বাবে দোৱা কৰিবলৈ আকৌ আহ্বান জনায়। কৈছে যে অৱশ্যে যুদ্ধ বন্ধ হৈছে কিন্তু ইতিহাসে প্ৰমাণ দিয়ে যে সময়ে সময়ে কোনো নহয় কোনো এটা চেলু বিচাৰি লৈ শত্ৰু সকলে নিপীড়িত পেলেষ্টাইনী সকলৰ ওপৰত অত্যাচাৰ চলোৱাৰ লক্ষ্য স্থিৰ কৰি থাকে। আল্লাহ তা'লা কৃপা বৰ্ষণ কৰক আৰু পেলেষ্টাইনী সকলেও প্ৰকৃত স্বাধীনতা লাভ কৰক। আল্লাহ তা'লা তেওঁলোকক এনেকুৱা এজন নেতা দান কৰক, যিজন অতি প্ৰজ্ঞাবান হয়। এনেদৰে আহমদী সকলৰ প্ৰতি যি জুলুম অত্যাচাৰৰ লক্ষ্য স্থিৰ কৰা হৈ আছে; বিশেষকৈ পাকিস্তান,সেইবোৰ দূৰ হ'বলৈ আৰু তাৰ পৰা পৰিত্ৰাণ পাবলৈ বহুত দোৱা কৰি থাকক। আল্লাহ তা'লা তেওঁলোককও নিৰাপদে ৰাখক।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া কেইজনমান মৰহুমিনৰ বিষয়ে উল্লেখ কৰা হ'ব। ইয়াৰে প্ৰথমজন হ'ল কুৰাইশ মহম্মদ ফজলুল্লাহ চাহাব (নায়েব নাজিৰ নশ্বৰ ইশায়ত কাদিয়ান) এখেতে ২৭ এপ্ৰিল ২০২১ চনত মৃতু বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন।এখেতৰ মাকৰ ককাদেউতা আৰু বাপেকৰ নানা হজৰত মুন্সি মেহেৰুদ্দিন চাহাব (ৰাঃ) হজৰত মছীহ মাওউদ (আঃ)ৰ চাহাবী আছিল। এখেতেৰ জৰিয়তেই মৰহুম কুৰাইশ চাহাবৰ বংশত আহমদীয়তৰ আগমন ঘটিছিল। এখেত (ৰাঃ)ৰ নাম মিনাৰাতুল মছীহৰ বাবে চান্দা প্ৰদানকাৰী সকলৰ নামৰ লগত লিপিবদ্ধ আছে। জামিয়াৰ শিক্ষা সাং কৰি কুৰাইশি চাহাবে ২৩ বছৰ পাঁচ মাহ কাল জামিয়া আহমদীয়াত শিক্ষকতা কৰিছে। সৰ্বমুঠ ৩৭ বছৰ ৭ মাহ কাল এখেতে জামাতৰ খোদমত আগবঢ়াই থৈ গৈছে। আল্লাহৰ কৃপাত মৰহুম মুচি আছিল। মৃত্যুৰ সময়ত মৰহুমে পত্নীৰে সৈতে এজন পুত্ৰ আৰু দুজনী জীয়েক এৰি থৈ গৈছে। মৰহুম কুৰাইশ চাহাবৰ বিষয়ে মখদুম শ্বৰিফ চাহাব (নাজিৰ নশ্বৰ ইশ্বায়তে) লিখিছে যে মৰহুম কুৰাইশ চাহাব বৰ বন্ধু সুলভ শিক্ষক আছিল। ছাত্ৰ সকলৰ সৈতে বৰ মৰম আৰু বন্ধুত্বপূৰ্ণ আচৰণ কৰিছিল। অতিশয় ঈমানদাৰী আৰু ওৱাকফেৰ আচল ৰূহেৰে সৈতে সদায় কাম কৰিছিল। নিজেও নিয়মানুবৰ্ত্তিতা মানি চলিছিল আৰু ছাত্ৰ সকলকও নিয়মানুবৰ্তিতা মানি চলিবলৈ শিকাইছিল। ভাৰতবৰ্ষৰ বেছি ভাগ মুবাল্লিগেই তেখেতৰ ছাত্ৰ আৰু সকলোৱেই তেখেতৰ পৰা জ্ঞান লাভ কৰিছে।তেখেত বৰ সজ আৰু সাধাৰণ জীৱন-যাপনৰ মানসিকতা ৰখা লোক আছিল। কথা বতৰা বৰ চমুকৈ কৈছিল কিন্তু সেয়া বৰ জ্ঞান গভীৰ আৰু স্পষ্ট আছিল।

নায়েব সদৰ খুদ্দামুল আহমদীয়া ভাৰত পদেৰে তেখেতে বিভুষিত হৈ জমাতৰ খিদমত কৰাৰ তৌফিক লাভ কৰিছিল। সুদীৰ্ঘ ৩৪ টা বছৰ জুৰি এখেতে নায়েব এডিটৰ পত্ৰিকা বদৰৰ দায়িত্ব পালনৰ সৌভাগ্য লাভ কৰিছিল। মিশকাতে মাহেকীয়া পত্ৰিকাৰও এডিটৰ আছিল। ইতিহাসে আহমদীয়া ভাৰত কমিটিৰ সদস্যও আছিল। ৰূহানি খাজাইন পুস্তকৰ কম্পিউটাৰাইজ এডিশনৰ এখেতে অভাৰ প্ৰোফ ৰিডিং কৰি কিছুমান ভুলৰ শুধৰণী কৰি দিছিল। বৰ সূক্ষ্ম ভাৱে পঢ়ি এখেতে ভুলসমূহ উলিয়াই শুধৰাই দিছিল। হজৰত আকদছ মছীহ মাওউদ (আঃ)ৰ ৰচিত কিছুমান পুথি যিবিলাক পৃথকে পৃথকে ছপা কৰা হৈছিল সেই বিলাকও প্ৰোফ ৰিডিং কৰিছিল।

আৰ্য্য ধৰম আৰু সৎবচন পুথিত থকা ভিন্ন কিতাপৰ উদ্ধৃতি বিলাক বিচাৰি উলিয়াই এখেতে বৰ পৰিশ্ৰমেৰে সেইবোৰ নিৰীক্ষণ কৰিছিল। এখেত মৰহুমে কৈছিল যে হজৰত মছীহ মাওউদ (আঃ)ৰ এই কিতাপদুখন হিন্দু আৰু শিখ সকলৰ বাবে এটা প্ৰমাণ স্বৰূপে আগবঢ়োৱা হৈছে। উক্ত কিতাপ দুখন এই দুয়ো ধৰ্মৰ আগত বৰ গুৰুত্বপূৰ্ণ ভূমিকা ৰাখিছে গতিকে বৰ সূক্ষ্ম ভাৱে চেক কৰিব লাগিব আৰু উদ্ধৃতিবোৰৰ শুধৰণী কৰিব লাগিব।কোৰ-আন কৰিম যি অনুমোদনৰ চিঠি অনুযায়ী ছপা কৰা হৈছে তাৰ ছফটৱাৰ বনাওঁতে মৰহুম কুৰাইশ চাহাবে বৰ খিদমত আগবঢ়াইছে দিনে ৰাতি এখেতে ইয়াৰ সংস্কৰণ তগৰু শুধৰণীৰ বাবে কাম কৰিছিল। ইয়াৰ পিছত কোৰ-আন মজিদৰ ইংৰাজী  অনুবাদ (হজৰত মৌলবী শ্বেৰ আলি চাহাব ৰাঃ) উৰ্দু অনুবাদ (হজৰত মীৰ মহম্মদ ইচহাক চাহাব) উলিওৱাওতে এখেত বৰ পৰিশ্ৰম কৰিছে। অনুমোদনৰ চিঠি অনুযায়ী কোৰ-আন মজিদ ইতিমধ্যে ছপা হৈ গৈছে। তেওঁৰ নাজিৰ চাহাব ইশায়াতে লিখিছে যে মৰহুম কুৰাইশ চাহাব মোৰ শিক্ষক আছিল আৰু সম্পৰ্কত মামা শশুৰ আছিল তথাপি তেখেতে মোৰ সহকাৰী হিচাপে বৰ আনুগত্যেৰে সৈতে কাম কৰিছিল আৰু বৰ নম্ৰতাৰে কথা বতৰা পাতিছিল। আল্লাহ তা'লা মৰহুমৰ সৈতে দয়া আৰু ক্ষমাৰ আচৰণ কৰক।

দ্বিতীয়জন মৰহুমৰ নাম হ'ল ছৈয়দ বশিৰ উদ্দিন আহমদ চাহাব মুবাল্লিগ ছিলছিলা এখেতেও কাদিয়ানৰ বাসিন্দা আছিল। ৮৩ বছৰ বয়সত এখেতে তকদিৰে ইলাহি মৃত্যু বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন। এখেত মৰহুম ছৈয়দ ছৈয়দউদ্দিন চাহাব (ৰাঃ)ৰ নাতিয়েক আছিল। এখেত বৰ ইবাদতকাৰী,তাহাজ্জুদগোজাৰ আৰু দোৱা কৰোঁতা সৰল প্ৰকৃতিৰ লোক আছিল। মৰহুম মুচি আছিল। মৰহুমে তিনিজন পুত্ৰ এৰি ইহলীলা সম্বৰণ কৰিছে। তিনিও জন পুত্ৰই আঞ্জুমানৰ অফিচত কৰ্মৰত আছে।

তৃতীয়জন মৰহুম হ'ল বশাৰত আহমদ হায়দৰ ইবনে ফয়েজ আহমদ চাহাব শ্বেহনা। এখেত ওৱাকফে জিন্দেগী আৰু কাদিয়ানৰ বাসিন্দা আছিল। ৭১ বছৰ বয়সত এখেতে মৃত্যু বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন। এখেত মৰহুম হজৰত আব্দুল কৰিম চাহাব (ৰাঃ) যিজন হজৰত মছীহ মাওউদ (আঃ)ৰ দ্বাৰা জলাতস্ক ভাল হোৱাৰ নিদৰ্শন স্বৰূপ আছিল, তেখেতৰ নাতিয়েক আছিল। তেখেত যাক কুকুৰে কামোৰি দিয়াৰ ঘটনা ঘটিছিল,হজৰত মৌলবী আবদুল কৰিম চাহাব (ৰাঃ)এখেতৰ নাতি আছিল। মৰহুম বশাৰত চাহাবে জিন্দেগী ওৱাকফে কৰি কৰ্ণাটকৰ পৰা কাদিয়ানলৈ আহিছিল আৰু মাদ্ৰাছা আহমদীয়াতত শিক্ষা অৰ্জন কৰাৰ পিছত আঞ্জুমানৰ বিভিন্ন কাৰ্যালয়ত কাম কৰে আৰু পিছত গৈ ৰিস্তানাতা বিভাগৰ কাৰ্য্যভাৰ গ্ৰহণ কৰে আৰু ইনচাৰ্জ হিচাপে খিদমত আগবঢ়াই থৈ যায়। এনেদৰে মৰহুমে ৪৬ বছৰ কাল এই ছিলছিলাৰ খিদমত কৰি থৈ গৈছে। সা-সুবিধা অতি কম হোৱা সত্বেও বৰ সজ আন্তৰিকতাৰে আৰু সৰল সহজ ভাৱে জীৱন-যাপন কৰিছিল। এখেত পৱিত্ৰ চেতা আৰু সহানুভূতিশীল মানৱতাবাদী লোক আছিল। মৰহুমে মুচি আছিল। পত্নীৰে সৈতে তিনিজনী জীয়েক এৰি থৈ গৈছে। তেখেতে জীয়েক তিনিওজনীক শিক্ষিতা কৰি ওৱাকফে জিন্দেগী সকলৰ লগত বিয়া পাতি থৈ গৈছে।

এওঁলোকৰ ওপৰিও হুজুৰ (আইঃ)য়ে তলত উল্লেখিত মৰহুমিন সকলৰ চমু আভাৰ দি নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। এওঁলোক হ'ল মাননীয় ডক্টৰ মহম্মদ আলি খান চাহাব, (জিলাই আমিৰ,জিলা পেশাৱাৰ)

মাননীয় ৰফি খান শ্বেহেজোদা চাহাব (প্ৰাক্তন সদৰ মহল্লা দাৰুৰ ৰহমত পূৰ ৰাজেকী ৰাবোৱা) মাননীয় ইয়াজ ইউনুচ হোছেন চাহাব (অষ্ট্ৰেলিয়া) মাননীয় মিয়া তাহিৰ আহমদ চাহাব ইবনে মিয়া কুৰবান হোছেন চাহাব (প্ৰাক্তন কৰ্মী অকালতে মাল ছালিছ ৰাবোৱা) মামনীয় ৰফিক আফতাব চাহাব (ইউ,কে) মাননীয়া জৰিণা আখতাৰ চাহিবা (পত্নী মিৰ্জা নাছিৰ আহমদ চাহাব (চঠি মছীহ উছতাদ জামিয়া আহমদীয়া ইউ,কে) মাননীয় হাফিজ মহম্মদ আক্ৰম চাহাব,মাননীয় চৌধুৰী নুৰ আহমদ নাছেৰ চাহাব আৰু মাননীয় মেহমুদ আহমদ মিনহাজ চাহাব ইবনে হাকিম উবেইদুল্লা মিনহাজ চাহাব। হুজুৰ আনোৱাৰ (আইঃ)য়ে সকলো মৰহুমিনৰ নিমিত্তে ক্ষমা আৰু মৰ্যাদা উন্নীত হোৱাৰ বাবে দোৱা কৰে আৰু নমাজে জুমাৰ পিছত নমাজে জানাজা গায়েব পঢ়ায়।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 21 MAY 2021**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................
..............................................................................................................................
..............................................................................................................................
..............................................................................................................................
..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**